# 2019

## ASSAMESE

( Major )

Paper : 4·1

*Full Marks* : 75

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। এটা শব্দ বা বাক্যত উত্তৰ লিখা : ১×১০=১০

(ক) 'অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব' শীৰ্ষক গ্ৰন্থখন কিমান চনত প্ৰকাশ হৈছিল ?

(খ) উইলিয়াম ৰবিন্সন চাহাবে ইংৰাজী ভাষাৰ মাধ্যমত লিখা *A Grammar of the Assamese Language* গ্ৰন্থখন কি ভাষাৰ ব্যাকৰণৰ আৰ্হিত লিখা ?

(গ) *An Assamese grammar with vocabulary and exercises* গ্ৰন্থখন কোনে ৰচনা কৰিছিল ?

(ঘ) অসমীয়া ভাষাত স্বৰৰ দৈৰ্ঘ্য বৰ্ণগত হয়নে ?

(ঙ) অসমীয়া ভাষাত শ্ৰুতিধ্বনি কেইটা ?

(চ) লিঙ্গবাচক সৰ্গবোৰ অসমীয়া ভাষাৰ শব্দসাধনৰ সৰ্গ হয়নে?

(ছ) অসমীয়া ভাষাত পঞ্চমী বিভক্তি আছেনে?

(জ) সুৰ-লহৰ কি বৰ্ণৰে নিৰ্মিত গোট?

(ঝ) অসমীয়া বাক্য গঠনৰ ক্ৰম কেনেধৰণৰ?

(ঞ) *Aspects of the Theory of Syntax* গ্ৰন্থখনৰ ৰচক কোন?

২। চমুকৈ উত্তৰ লিখা : ২×৫=১০

(ক) ৰূপান্তৰ স্ফোট ব্যাকৰণ (Transformational Generative Grammar) বুলিলে কি বুজা?

(খ) উপাহিত বৰ্ণ (Suprasegmental phoneme) কাক বোলে? অসমীয়া ভাষাত এইবিধ বৰ্ণৰ প্ৰয়োগ আছেনে?

(গ) ধাতু কাক বোলে? গঠনৰ ফালেৰে ধাতুক কি কি ভাগত ভগাব পাৰি?

(ঘ) শূন্য বিভক্তি বুলিলে কি বুজা? উদাহৰণৰ সৈতে আলোচনা কৰা।

(ঙ) অৰ্থগত যোগ্যতা মানে কি? উদাহৰণ দি বুজাই লিখা।





৩। যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৩=১৫

(ক) ব্যাকৰণ আৰু ভাষাবিজ্ঞানৰ মাজত থকা পাৰ্থক্য সম্পৰ্কে বহলাই আলোচনা কৰা।

(খ) "বৰ্ণ হৈছে কিছুমান ধ্বনিৰ গোট।" এই কথাষাৰৰ তাৎপৰ্য বিচাৰ কৰা।

(গ) অসমীয়া ভাষাৰ সম্বন্ধবাচক বিশেষ্য শব্দৰ পিছত যোগ হোৱা বিভক্তিবোৰ উদাহৰণসহ দেখুৱাই দিয়া।

(ঘ) অসমীয়া ভাষাৰ স্বাৰ্থিক প্ৰত্যয় সম্পৰ্কে উদাহৰণসহ চমুকৈ বুজাই লিখা।

(ঙ) অসমীয়া ন্যস্তৰ্থক ক্ৰিয়াৰ গঠন আৰু ইয়াৰ বৈশিষ্ট্য সম্পৰ্কে আলোচনা কৰা।

৪। (ক) অসমীয়া ব্যাকৰণৰ বিকাশৰ এটি ঐতিহাসিক পৰ্যালোচনা যুগুত কৰা। ১০

*অথবা*

(খ) 'ব্যাকৰণ আৰু ইয়াৰ প্ৰকাৰ'—এই শিতানত এটা আলোচনা আগবঢ়োৱা। ১০

৫। (ক) অসমীয়া ভাষাত বিশিষ্ট স্বৰধ্বনি কেইটা আৰু কি কি? জিভাৰ অংশ, উচ্চতা আৰু ওঁঠৰ আকৃতি অনুযায়ী সেই বিশিষ্ট স্বৰধ্বনিসমূহৰ এখন তালিকা যুগুত কৰি অসমীয়া ভাষাত সেই ধ্বনিবোৰ লিখিবলৈ কি কি আখৰ ব্যৱহাৰ কৰা হয়, লিখা। ২+৮=১০

*অথবা*

(খ) অসমীয়া ভাষাত মহাপ্ৰাণ ধ্বনি কেইটা আৰু কি কি? ধ্বনিগুণ অনুসৰি তালিকাভুক্ত কৰি ইহঁতৰ আদ্য, মধ্য আৰু অন্ত্য স্থানত বিৰোধ দেখুওৱা। ২+৮=১০

৬। (ক) বচন বুলিলে কি বুজা? অসমীয়া ভাষাত বচন-নিৰপেক্ষ ৰূপৰ পাছত একবচনবাচক আৰু বহুবচনবাচক ৰূপবোৰ কেনেধৰণেৰে প্ৰয়োগ কৰা হয়, উদাহৰণসহ বুজাই লিখা। ২+৮=১০

*অথবা*

(খ) "অসমীয়া ভাষাৰ লিঙ্গ আংশিকভাৱে ব্যাকৰণগত বিষয় বুলি ধৰিব পাৰি।" এই কথাষাৰৰ যুক্তিযুক্ততা বিচাৰ কৰা। ১০

৭। (ক) বাক্যতত্ত্ব বুলিলে কি বুজা? গঠন-ৰীতিৰ ফালৰ পৰা অসমীয়া বাক্যক কেইটা ভাগত বিভক্ত কৰা যায়, উদাহৰণসহ আলোচনা কৰা। ২+৮=১০

*অথবা*

(খ) বাক্যৰ নিকটস্থ অঙ্গ বুলিলে কি বুজা, উদাহৰণসহ বুজাই লিখা। নিকটস্থ অঙ্গ নিৰ্ধাৰণৰ উপযোগিতা কোনখিনিত, আলোচনা কৰা। ৩+৭=১০

★★★